# দীৰ্ঘদৰ্শী ঢেকিয়ালফুকন

ড° নৰেন কলিতা

গুণাভিৰাম বৰুৱাই লিখা **আনন্দৰাম ঢেকিয়ালফুকনৰ জীৱন চৰিত** গ্ৰন্থখনৰ এঠাইত আনন্দৰামক দীৰ্ঘদৰ্শী বুলি অভিহিত কৰিছিল। প্ৰসংগটো আছিল অসমৰ ভাষা-সাহিত্য আদিৰ বিষয়ে ১৮৫৩ চনত অনুসন্ধান কৰিবলৈ অহা কলিকতাৰ সদৰ দেৱানী আদালতৰ জজ মোফাট্ মিলছ্‌ৰ হাতত তেওঁ দিয়া অসম সম্পৰ্কীয় আবেদন-পত্ৰখন। আবেদন-পত্ৰখনত অসমৰ নাড়ী-নক্ষত্ৰৰ বিষয়ে পৰ্যাপ্ত জ্ঞান আৰু অভিজ্ঞতা থকা ঢেকিয়ালফুকনে অসমৰ ৰাজহ-ব্যৱস্থা, কৃষি, শিক্ষা, পথ, ন্যায়-ব্যৱস্থা, কানিৰ দৰে সামাজিক ব্যাধি আৰু বিবাহ পঞ্জীয়নকে ধৰি অনেক বিষয় উত্থাপন কৰিছিল আৰু সেইবোৰ ক্ষেত্ৰত থকা ক্ৰুটিবোৰ দেখুৱাই সংশোধনৰ উপায়সমূহ আগবঢ়াইছিল। উল্লেখযোগ্য যে আবেদনখনৰ আৰম্ভণিত অসমলৈ ব্ৰিটিছ-শাসন-ব্যৱস্থা সম্প্ৰসাৰণ বিষয়টোত আনন্দ প্ৰকাশ কৰিছিল বিশেষকৈ অসমীয়া মানুহে ব্ৰিটিছ-প্ৰশাসন-ব্যৱস্থাৰ অধীনত জীৱন আৰু সম্পত্তিৰ সুৰক্ষা পাব বুলি। ঢেকিয়ালফুকনৰ সমসাময়িকভাৱে মণিৰাম দেৱান আদিয়েও অসমত ব্ৰিটিছৰ আৱিৰ্ভাৱক 'কল্কি অৱতাৰ' বুলি প্ৰশংসা কৰিছিল। ঢেকিয়ালফুকনে প্ৰশংসা কৰা অন্য এটা কাৰণো আছিল। সেইটো হৈছে ব্ৰিটিছে বংগদেশত প্ৰচলন কৰা বিধি-ব্যৱস্থা অসমত প্ৰয়োগ কৰা নহৈছিল, কিয়নো এনে বিধি-ব্যৱস্থাৰ প্ৰয়োগ হ'লে অসমৰ কাৰণে ক্ষতিকাৰক হ'লহেঁতেন। অসমৰ বিশেষ অৱস্থা আৰু পৰিস্থিতিৰ প্ৰতি সন্মান জনাই ব্ৰিটিছে অসমত যি শাসন-ব্যৱস্থা প্ৰৱৰ্তন কৰিছিল, সি বংগদেশতকৈ উন্নত ধৰণৰ আছিল। তথাপি ঢেকিয়ালফুকনে সাহসেৰে কৈছিল যে তেতিয়া ব্ৰিটিছ শাসন-ব্যৱস্থা প্ৰৱৰ্তনৰ ২৮ বছৰ উকলি গ'লেও প্ৰজাসাধাৰণৰ অৱস্থাৰ ক্ষেত্ৰত বিশেষ কোনো দৰ্শনীয় পৰিৱৰ্তন সাধন হোৱা নাছিল আৰু একেদৰে শাসন-

ব্যৱস্থা উন্নতমানৰ হৈছিল বুলিও ক'ব নোৱাৰি। গতিকে প্ৰজাসাধাৰণৰ উন্নত জীৱন-মান আৰু উন্নতমানৰ প্ৰশাসনিক ব্যৱস্থা আশা কৰি ঢেকিয়ালফুকনে অসমত ব্ৰিটিছৰ আগভাগৰ বিধি-ব্যৱস্থা, শিক্ষানীতি, ৰাজহ-ব্যৱস্থা আদিত দেখিবলৈ পোৱা সকলো ত্ৰুটি নিঃসংকোচে আবেদন-পত্ৰখনত উল্লেখ কৰিছিল। গুণাভিৰাম বৰুৱাই কৈছে যে ঢেকিয়ালফুকনে যিবোৰ কাম হ'ব লাগে বুলি কৈছিল, সেইবোৰ হোৱাৰ বহু আগতেই হ'ব পাৰে বুলি দূৰদৰ্শিতাৰে বিচাৰ কৰিছিল। সেইকাৰণে তেওঁ ঢেকিয়ালফুকনক দীৰ্ঘদৰ্শী বুলি অভিহিত কৰিছিল। মিলছক দিয়া আবেদন-পত্ৰৰ বিষয়-বৈচিত্ৰ্য আৰু ব্ৰিটিছ প্ৰশাসনৰ আগডোখৰ শাসন-ব্যৱস্থাৰ প্ৰতি ঢেকিয়ালফুকনৰ এনে শেন দৃষ্টি আছিল যে তালৈ চাই ড° মহেশ্বৰ নেওগে তেওঁক ঊনবিংশ শতিকাৰ মাজছোৱাৰ ব্ৰিটিছ শাসনৰ কুকাৰ্যবোৰৰ প্ৰতি দৃষ্টি ৰখা তীক্ষ্ণ পহৰাদাৰ (sharp watchdog) বুলি অভিহিত কৰিছে।

ঢেকিয়ালফুকনৰ প্ৰাথমিক আৰু প্ৰধান লক্ষ্য আছিল অসম আৰু অসমীয়াৰ উন্নতিৰ হকে কাম কৰা। ইংলেণ্ডৰ বিৱৰণ নামৰ লেখাটোৰ মাজেৰে অসমৰ উন্নতিৰ কাৰণে ঢেকিয়ালফুকনে নিজৰ অকৃত্ৰিম হাবিয়াসখিনিকে প্ৰকাশ কৰিছে। লেখাটোত ইংলণ্ডৰ প্ৰগতিৰ কাৰণ আৰু সাধনসমূহৰ লগতে অসমৰ দুৰৱস্থাৰ কাৰণসমূহ ফঁহিয়াই দেখুওৱা হৈছে। ইয়াৰ এটা অংশত ইংলণ্ডৰ সন্তুলিত পাৰিপাৰ্শ্বিকতাৰ কথা আছে। আজি একৈছ শতিকাৰ বিপৰ্যস্ত পাৰিপাৰ্শ্বিকতাই মানৱ সভ্যতালৈ যি ভয়াবহতা কঢ়িয়াই আনিছে, তেনে নহ'বৰ কাৰণে ইংলণ্ডই গ্ৰহণ কৰা প্ৰচেষ্টাৰ প্ৰশংসা কৰি গৈছে ঢেকিয়ালফুকনে। তেওঁ কৈছে,— 'যত হাবি সিও আপুনি নহই, কিন্তু বৰ লোকসকলৰ মৃগয়াৰ নিমিত্তে ভালেমান পুৰুষাৰ্থ কৰি মানুহে ৰুইছে।' সন্তুলিত বিশ্ব-পাৰিপাৰ্শ্বিকতাৰ কাৰণে বৃক্ষ-ৰোপণৰ দৰে তাৎপৰ্যপূৰ্ণ কাৰ্যৰ ধাৰণা উল্লেখিত কথাখিনিৰ বুকুত প্ৰকাশ পাইছে। নিজে ইংলণ্ডলৈ যোৱা নাই, ইংলণ্ড নিজৰ দেশো নহয়, অথচ তেনে এখন দেশৰ বিষয়ে গ্ৰন্থ অধ্যয়নৰ মাজেৰে লাভ কৰা জ্ঞানৰ আধাৰতে সেই দেশৰ ভালৰ ভালখিনিৰ কথা অসমীয়া মানুহক জনাব পাৰিছিল আৰু পাৰিপাৰ্শ্বিকতাৰ দৰে প্ৰমূল্যৰ বিষয়ে আজিৰপৰা প্ৰায় দুশ বছৰৰ আগতে ঢেকিয়ালফুকনে প্ৰাঞ্জলভাৱে নিজৰ দৰ্শন-দাপোণত চাব পাৰিছিল।

ইংলণ্ডৰ বিৱৰণ লেখাটোৰ জৰিয়তে ঢেকিয়ালফুকনে অসমীয়াৰ দুৰৱস্থাৰ কাৰণবোৰ অতি প্ৰাঞ্জলভাৱে দাঙি ধৰিছে। বিদ্যা-শিক্ষা, কৃষি আৰু বিবিধ শিল্পকৰ্মৰ প্ৰতি অৱহেলা, ব্যৱসায়-বাণিজ্যৰ প্ৰতি কোনো আকৰ্ষণ নথকা আৰু ঘাইকৈ দেশপ্ৰেমৰ অভাৱেই অসমীয়াৰ দুৰৱস্থাৰ কাৰণ বুলি তেওঁ চিহ্নিত কৰিছে। লেখাটোৰ সামৰণিত তেওঁ যদিও ঈশ্বৰৰ ওপৰতহে ভৰসা কৰিছে, কিন্তু তাৰ মাজেৰেই তেওঁ নিজৰ সম্যক সিদ্ধান্ত দিছে আৰু দূৰদৰ্শী সপোন দেখা পাইছে অসম আৰু অসমীয়াৰ উন্নতিৰ বাবে।

ঢেকিয়ালফুকনৰ সপোন সময়তকৈ আৰু তাতোকৈ তেওঁৰ বয়সতকৈ বহুত আগবঢ়া। ইয়াৰ কাৰণে দ্ৰষ্টাজনৰ প্ৰচুৰ অধ্যয়ন থাকিব লাগিব, নিজৰ সমাজখনৰ নাড়ী-নক্ষত্ৰৰ লগত পৰিচয় থাকিব লাগিব আৰু সবাতোকৈ মূল্যবান সম্পদটি হৈছে নিজৰ দেশখনৰ প্ৰতি গভীৰ ভালপোৱা এই সকলো দিশতে ঢেকিয়ালফুকন বিদগ্ধ আছিল কাৰণেই তেওঁ দূৰদৰ্শী বা দীৰ্ঘদৰ্শী হ'ব পাৰিছিল। তেওঁৰ সমসাময়িক কালত বংগদেশত ৰাজা ৰামমোহন ৰায়ে দেশ আৰু স্বজাতিৰ উন্নতিৰ কাৰণে সময়তকৈ আগতেই চিন্তা কৰিছিল। কিন্তু ব্ৰিটিছ শাসকৰ দৃষ্টিত ঢেকিয়ালফুকন ৰামমোহনতকৈয়ো অসাধাৰণ আছিল।

জৱাহৰলাল নেহৰুৱে ভাৰতাত্মাৰ সন্ধান কৰি পাইছিল যে অতীতৰ তুলনাত পৰাধীন ভাৰতত বিজ্ঞান-চেতনাৰ যি অৱক্ষয় ঘটিছিল, সিয়েই ভাৰতীয় মানুহক জীৱনৰ প্ৰকৃত মহত্বৰ অনুসন্ধান কৰাত হেঁাহঁকিবলৈ বাধ্য কৰিছিল; ইয়াৰ ফলত ভাৰতীয় মানুহে অতীতৰ সৃষ্টিশীলতা হেৰুৱাই পেলাইছিল। নেহৰুৱে তেওঁৰ Discovery of India গ্ৰন্থখনৰ এঠাইত India's Strength and Weakness উপশীৰ্ষৰ অধ্যায়টোত ভাৰতীয় মানুহৰ বা সমাজৰ বিপৰ্যয়ৰ কথাবোৰ আলোচনা কৰিছে আৰু কৈছে যে ক্ষত্ৰিয় শক্তিত ইউৰোপৰ সমৃদ্ধিৰ গুৰিতে আছিল বিজ্ঞান-চেতনাৰ প্ৰতি আগ্ৰহ। জৱাহৰলাল নেহৰুতকৈ প্ৰায় এশ বছৰৰ আগতে নেহৰুৰ দৰেই ঢেকিয়ালফুকনে অসম-আত্মাৰ সন্ধান কৰিছিল আৰু অসমীয়াই হেৰুৱাই পেলোৱা ইয়াৰ নিটোল ৰূপটোত দেখা দিয়া দুৰ্বলতাবোৰ খৰচি মাৰি অনুসন্ধান কৰিছিল। তেওঁৰ Plea for Assam And Assamese আৰু ইংলণ্ডৰ বিৱৰণ দুয়োটা লেখাৰ মাজত প্ৰতিটো দুৰ্বলতাৰ নিৰপেক্ষ বিশ্লেষণ প্ৰকাশ পাইছে অসমাত্মাত দেখা দিয়া দুৰ্বলতাৰ প্ৰকৃত কাৰণ চিনিব পাৰিছিল কাৰণেই তেওঁ সকলোকে এই আহ্বান জনাব পাৰিছিল— 'কিন্তু যদি সভ্য আৰু সুখী হ'ব খোজা তেন্তে কৃষি আৰু শিল্পকৰমত ইংৰাজৰ দৰে পাৰ্গত হ'বলৈ পুৰুষাৰ্থ কৰা।' ঢেকিয়ালফুকনে বিচাৰিছিল যে অসমৰ ধনী লোকসকলে তেওঁলোকৰ সঞ্চিত ধন স্বজাতিক বিজ্ঞান-চেতনাৰে উদ্বুদ্ধ কৰাৰ ক্ষেত্ৰত বিনিয়োগ কৰক আৰু আৰ্থিক সমৃদ্ধি লাভত সমাজখনক সহায় কৰক। ঢেকিয়ালফুকনে এই কথাটো ভালকৈয়ে হৃদয়ংগম কৰিছিল যে বিজ্ঞানেই ইংৰাজ-জাতিৰ উন্নতিৰ সাঁচৰ-কাঠী আছিল। ইয়াৰ সহায়তে ন ন আৱিষ্কাৰ কৰিব পাৰিছিল আৰু যন্ত্ৰ আৰু ঔদ্যোগিক-বিপ্লৱৰ সূচনা কৰি ইংৰাজ জাতিটোক বাণিজ্যিক দিশত আগুৱাই নিব পাৰিছিল। ঢেকিয়ালফুকনতকৈ এশ বছৰৰ পিছত নেহৰুৱে একেটা সত্যকে দাঙি ধৰিছিল— আৰু এই সিদ্ধান্তত উপনীত হৈ কৈছিল যে যি ইউৰোপ ভাৰতবৰ্ষতকৈ বহু পিছ পৰি আছিল, বিজ্ঞানৰ কৃপাত ভাৰতবৰ্ষতকৈ বহু আগবাঢ়িল, এনেকি পশ্চিম ইউৰোপৰ দেশবোৰ ক্ষত্ৰিয় শক্তিত প্ৰবল শক্তিশালী হৈ পূবৰ দেশবোৰৰ ওপৰত নিজৰ আধিপত্য বিস্তাৰ কৰিব পৰা হ'ল।

ঢেকিয়ালফুকনে অসমৰ সৰ্বাংগীণ বিকাশৰ কাৰণে যিবোৰ কৰণীয় বুলি অসমীয়া মানুহলৈ উদাত্ত আহ্বান জনাইছিল, প্ৰকৃততে সেই আহ্বানৰ মাজত অসমৰ নৱজাগৰণৰ বাণী সোমাই আছিল। ফুকনৰ এই বাণীয়ে অসমীয়া মানুহৰ মন হয়তো চুব পাৰিছিল; কিন্তু ইংৰাজ চাহাব, ইংৰাজী ভাষা আৰু ইংৰাজৰ চাহাবী সংস্কৃতিৰ পৃষ্ঠপোষক বুলি তেওঁ বা তেওঁৰ পৰিয়াল সমালোচনাৰো পাত্ৰ নোহোৱাকৈ থকা নাছিল। এনেকুৱা দুই-এটা উদাহৰণৰ বিষয়ে গুণাভিৰাম বৰুৱাই 'আনন্দৰাম ঢেকিয়ালফুকনৰ জীৱন-চৰিত'ত উল্লেখ কৰিছে। আনকি এনেকুৱা মন্তব্যও কোনোৱে প্ৰকাশ কৰিছিল যে ঢেকিয়ালফুকন জিলাধিপতি হ'লে তেওঁক চালাম দিয়াতকৈ চাকৰিকে বাদ দিব। এনে মন্তব্য হয় ঈৰ্ষাপ্ৰসূত নাইবা প্ৰাচীন সংস্কাৰাচ্ছন্ন চিন্তা-চেতনাৰপৰা উদ্ভূত বুলিহে ক'ব লাগিব। কিয়নো ঢেকিয়ালফুকনৰ অসম-প্ৰেম যে নিখুঁত আছিল, সেইটো তেওঁৰ Plea for Assam and Assamese আৰু এজন নেটিভ নামত ৰচনা কৰা A Few Remarks on the Assamese Language and on Vernacular Education in Assam গ্ৰন্থদুখন অথবা সুচিন্তিত সৰু লেখা দুটাৰপৰা ধাৰণা কৰিব পাৰি। পুৰুষেই হওক বা তিৰোতাই হওক সকলো সুশিক্ষিত হোৱা যে উচিত, সেইটো তেওঁ হাড়ে-হিমজুৱে বিশ্বাস কৰিছিল। নিজৰ সহধৰ্মিণীক তেওঁ নিজেই ঘৰতে পঢ়াই-শুনাই সুশিক্ষিতা কৰি তুলিছিল। শিক্ষাৰ ক্ষেত্ৰত সম্পূৰ্ণ সংস্কাৰমুক্ত মন এটা লৈ তেওঁ নিজেও কলিকতাত ইংৰাজী শিক্ষা ল'বলৈ গৈছিল, যদিও তেওঁৰ চৌপাশৰ সমাজখনৰ সংস্কাৰৰ অনুৱৰ্তী হৈ নিজৰ লগত ব্ৰাহ্মণ ৰান্ধনি লৈ যাবলগীয়া হৈছিল। তেওঁ নিজৰ ঘৰখনৰ শিক্ষাৰ এনে এক পৰিৱেশ গঢ়ি তুলিব পাৰিছিল, যাৰ ফলত তেওঁৰ বৰপুত্ৰ ৰাধিকাৰামে বিলাতলৈ গৈ অসমৰ প্ৰথম পি, এইচ, ডি হোৱাৰ যোগ্যতা অৰ্জন কৰিছিল। আনহাতে তেওঁৰ জীয়ৰী পদ্মাৱতী দেৱীফুকননীৰ দৰে সুশিক্ষিতা লেখিকাৰ উদয় হোৱা সম্ভৱ হৈছিল তেওঁৰ পৰিয়ালত।

গুণাভিৰামে ৰচনা কৰা ঢেকিয়ালফুকনৰ জীৱন-চৰিতখনৰপৰা জনা যায় যে ঢেকিয়ালফুকন নিজৰ দেশীয় আৰু পাশ্চাত্য জীৱন-ধাৰণৰ লগত জীণ যাব পৰাকৈ অভ্যস্ত হৈছিল। গুণাভিৰামে লিখি থৈ গৈছে—

(১) কলিকতাৰপৰা ঘৰলৈ আহোঁতে ফুকনে শান্তিপুৰীয়া কলকিনাৰী ধুতী, মিৰ্জাই চোলা, গাত এখন চাল আৰু ভৰিত মোজা আৰু জোতা পিন্ধিছিল।

(২) জেন্‌কিন্‌চ চাহাবক সাক্ষাৎ কৰোঁতে পেন্টলুন, চাপকণ আৰু টুপী পিন্ধিছিল।

(৩) ঘৰত দেশীয় মানুহক দেখা কৰিবলৈ ঢলা বিছনাত তুলি-গাৰু দি এটা সুকীয়া কোঠা সজাই-পৰাই লৈছিল।

আনহাতে বিদেশী চাহাবক দেখা কৰিবলৈ সুকীয়া কোঠালি ৰাখিছিল আৰু তাত

মেজ, মাচিয়া, কিতাপ ভৰা আলমাৰী, চিঠি থোৱা মোনা আদি থৈছিল।

(৪) তেওঁ পাল্কীত উঠিছিল। নিজৰ বিয়াৰ দিনা ফুকনে জৰীৰ বন কৰা পাইজামা আৰু আংগা টুপী পৰিধান কৰি তামজাংগ দোলাত উঠি শহুৰৰ ঘৰলৈ গৈছিল; কিন্তু হোমৰ গুৰিত সেই পোচাক সলাই পাটৰ বস্ত্ৰ পিন্ধিছিল।

মুঠতে ফুকনৰ কৰ্মই অসমত মধ্যবিত্তৰ উত্থানৰ আগজাননী দিছিল। কলিকতাৰপৰা উভতি অহাৰ সময়ত ফুকনৰ বয়স হৈছিল ১৬ বছৰ মাথোন। গুণাভিৰাম বৰুৱাই কৈছে যে ফুকনে যেনে প্ৰণালীৰে ঘৰৰ বস্তু সজাই থৈছিল, সেইটো গুৱাহাটীত দেশীয় লোকৰ পক্ষে প্ৰথম আছিল। উল্লেখ কৰা হৈছে যে ফুকনে নিজৰ পত্নীক ঘৰতে পঢ়ুৱাই-শুনোৱাই সুশিক্ষিতা কৰিছিল; এই ক্ষেত্ৰতো ফুকনে সময়তকৈ আগতেই এখোজ পেলাইছিল। শিক্ষা-দীক্ষাৰপৰা ধৰি ফুকনৰ সকলো কথাই-কামে প্ৰগতিশীল ধাৰণাকে দিব পাৰে। এই অৰ্থত ঢেকিয়ালফুকন সম্পূৰ্ণকৈ আধুনিক মনৰ মানুহ আছিল। আধুনিক এই অৰ্থত যে তেওঁৰ লগত প্ৰগতিশীল মনোভংগীৰ দৰে ধনাত্মক দিশটোহে জড়িত হৈছিল। মিলছক দিয়া আবেদনখনত ফুকনে কৈছে যে আসামৰ কৃষি-ব্যৱস্থা উন্নত কৰিবলৈ কোম্পানী চৰকাৰে ইউৰোপ আৰু উত্তৰ ভাৰতৰপৰা উন্নত কৃষিকাৰ্য জনা মানুহ আনি অসমৰ মানুহক শিক্ষা দিয়াব লাগে, যাতে অসমৰ মানুহে উন্নত পদ্ধতিৰে পানী-যোগানৰ ব্যৱস্থা কৰিব পাৰে, নলা-নৰ্দমা আৰু বান্ধ সাজিব পাৰে। ইয়াৰ লগতে উন্নত ধৰণৰ বীজ আৰু কৃষি-সঁজুলি আনিব লাগে। ফুকনে আগবঢ়োৱা দূৰদৰ্শী পৰামৰ্শ কাৰ্যকৰী কৰা হ'লে ঊনবিংশ শতিকাতে অসমে সেউজ বিপ্লৱৰ সূচনা কৰিব পাৰিলেহেঁতেন। কিন্তু কোম্পানী চৰকাৰে ফুকনৰ পৰামৰ্শ গ্ৰহণ নকৰিলে।

অসমক সকলো ফালৰপৰাই উন্নত কৰাৰ বিষয়ে ঢেকিয়ালফুকনে যি চেষ্টা কৰিছিল, ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই সেইটো উন্নত পুঁজিবাদী সমাজ এখন গঢ়াৰ সপোন বুলি কৈছে (ডেৰশ বছৰৰ অসমীয়া সংস্কৃতিত এভুমুকি)। সেয়ে হ'লেও আমি এই কথাটো লক্ষ্য কৰিব পাৰোঁ যে ফুকনৰ প্ৰকৃতাৰ্থত আধুনিক সত্তাটো গঢ়ি উঠাত প্ৰচুৰ সহায় কৰিছিল। অসমৰ সমসাময়িক ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰিৱৰ্তনে। গতিকে সামাজিক পৰিৱৰ্তনৰ কাৰণে এটা সুন্দৰ ভেটিৰ পট্টন ঘটিছিল। কিন্তু বিদেশী প্ৰশাসকৰ লক্ষ্য আছিল ৰাজহ-সংগ্ৰহহে, নব্য সমাজ-ব্যৱস্থা পট্টন নহয়। গতিকে ঢেকিয়ালফুকনৰ দৰে চিন্তাবিদৰ চিন্তাৰ লগত শাসকশ্ৰেণীৰ চিন্তাৰ ব্যৱধান আছিল আৰু প্ৰশাসনৰ সহায়ক হ'ব পৰাকৈ শাসকগোষ্ঠীয়ে নিজৰ বাট মুকলি কৰি লৈছিল। □□

(চতুৰ্থ আনন্দৰাম ঢেকিয়াল ফুকন স্মাৰক বক্তৃতা, ২৪ ছেপ্টেম্বৰ, ২০০৫)।